# উঁই
# প্ৰাকৃতিক ভাৱে উঁইৰ নিয়ন্ত্ৰণ

## উঁই: মানে কি?

উঁই হ'ল আইচপ্টেৰা বৰ্গৰ এবিধ পোক আৰু ইঁহতৰ প্ৰায় ২,৫০০ টা প্ৰজাতি আছে। ইয়াৰ ভিতৰত ৩০০ টা প্ৰজাতি হ'ল অনিষ্টকাৰী। ক্ৰান্তীয় ঠাই সমূহত আনিষ্টকাৰী পোক সমূহৰ ভিতৰত উঁই পোকো অৰ্ন্তভুক্ত। ইঁহতে কৃষি বনানিকৰণৰ বাবে লগোৱা গছ-গছনি আৰু ঘৰ আদিতো যথেষ্ট অনিষ্ট সাধন কৰে। উঁই পোকৰ কেইবাটাও গোত্ৰ আৰু উপ-গোত্ৰ আছে।

কিছুমানে মাটিৰ তলত বাহ সাজে আৰু কিছুমানে ফোপোলা কাঠৰ অংশত বাহ সাজে, কিছুমান উঁই পোকে ঢিপ কৰি মাটিত সাঁফলু (বাহ)সাজে ।

নিয়ন্ত্ৰণৰ পদ্ধতি সমূহ অৱলম্বন কৰাৰ আগতে পোকৰ প্ৰজাতি আৰু গোত্ৰৰ থূলমূল আভাষ থকাৰ দৰকাৰ। এহবোৰ পোকৰ চাল-চলন আৰু অনিষ্ট কৰাৰ লক্ষণ চাই চিনাক্ত কৰিব পাৰি।



কৃষিক্ষেত্ৰত অতি বেছি অনিষ্টকাৰী উঁই পোক হ'ল ভেঁকুৰ সৃষ্টি কাৰী উঁই। ইহঁতে মৃত জৈৱিক অংশ যেনে, গছ-গছনিৰ অৱশিষ্ট অংশ, মালচিংৰ বাবে ব্যৱহাৰ কৰা পদাৰ্থ, হিউমাচ ইত্যাদি খাই জীয়াই থাকে। আনকি যদি এনে পদাৰ্থ নাথাকে তেনেহ'লে ইঁহতে জীৱিত গছ-গছনি যেনে, মাকৈ, বাদাম, ইত্যাদিও আক্ৰমণ কৰিব ধৰে।

কিছুমান উঁই পোক শুকান আৰু কিছু পৰিমানে মৰুভুমিময় ঠাইত পোৱা যায়। ইহঁতে মাটিৰ তলত বাহ সাজে আৰু বহু সময়ত এই বিলাক বিচাৰি ওলিওৱাও কঠিন হয়।

এই বিলাকে গছ-গছনিৰ জেউজীয়া অংশ, ঘাঁহ শস্য, পুলি ইত্যাদি সংগ্ৰহ কৰে আৰু অনিষ্ট সাধন কৰে। ইহঁতে আনকি দূৰ্বল গছ বোৰ আৰু মৰহি যাবলৈ ধৰা গছ বোৰও আক্ৰমণ কৰে।

## উঁই পোকে কৰা উপকাৰ সমূহ:-

- উঁই পোক বোৰে মাটিত সুৰঙা কৰি সোমাই যায় বাবে মাটিত বায়ু চলাচল কৰাত সুবিধা হয়।
- উঁই পোকে মাটি খাই হজম কৰাৰ ফলস্বৰূপে মাটিত জৈৱিক পদাৰ্থ সমূহ ভালদৰে মিহলি হয় আৰু ভাঙি যোৱাত সহায় হয়।
- উঁই সাঁফলুৰ মাটি বোৰত বহুত খনিজ পদাৰ্থ থাকে গতিকে, এই বোৰ ভাঙি মাটিত মিহলাই দিলে মাটিৰ মাটিৰ সাৰুৱা গুণ উন্নত কৰে।
- জীৱ-জন্তুৱে উঁই সাঁফলুৰ মাটি চেলেকিলেও কিছুমান খনিজ পদাৰ্থ পায়।
- স্তন্যপায়ী জীৱ যেনে, মানুহকে ধৰি আন কিছুমান প্ৰাণীয়ে উদাহৰণ স্বৰূপে, পৰুৱা, গিনি ফাউল ইত্যাদিৰ বাবে প্ৰটিনৰ উৎস হিচাপেও উপকাৰ কৰে।

## ৰাসায়নিক নিয়ন্ত্রণ



সাধাৰণতে উঁই নিয়ন্ত্রণ কৰাৰ বাবে ৰাসায়নিক পদ্ধতি ব্যৱহাৰ কৰা হয়। ৰাসায়নিক পদাৰ্থ বোৰৰ খৰচ বেছি হোৱাৰ ওপৰিও এই বিলাক ব্যৱহাৰ কৰাৰ পৰা হোৱা অনিষ্টৰ পৰিমাণ বেছি।

### মানুহৰ নিৰাপত্তা

কৃটিম ৰাসায়নিক পদাৰ্থ বোৰ অতি সহজে খোৱা খাদ্য আৰু পানীৰ লগত মিহলি হৈ যায়। ইয়াৰ ওপৰিও ব্যৱহাৰ কৰা মানুহ সকলৰ বাবে হ'ব পৰা বিপদৰ কথাও নুই কৰিব নোৱাৰি। কেতিয়াবা এই সমুহ প্ৰকৃত নিয়মত ব্যৱহাৰ কৰা দেখা নাযায় কাৰণ সন্নিবিষ্ট কৰা তথ্য বোৰ ব্যৱহাৰ কৰোতা জনে পঢ়ি বুজি পোৱা ভাষাত লিখা নাথাকিবও পাৰে। সেই বাবে বহু সময়ত বহুত দূৰ্ঘটনা হোৱাও দেখা যায়।

### পৰিৱেশ নিৰাপত্তা

ৰাসায়নিক কীট নাশক পদাৰ্থৰ ব্যৱহাৰৰ পৰা পৰিবেশত বহুত অনিষ্ট মূলক ঘটনা হ'ব পাৰে.

- এই ৰাসায়নিক কীট নাশক পদাৰ্থ বোৰ ব্যৱহাৰ কৰাৰ ফলত বহু সময়ত উপকাৰী পোক বোৰ মাৰি পেলাবও পাৰে। মাত্ৰ এবাৰ স্প্ৰে কৰাৰ ফলতো পৰভোজী আৰু কীট সমুহৰ মাজৰ সাম্যতা নোহোৱা হ'ব পাৰে।
- ৰাসায়নিক কীট নাশক পদাৰ্থবোৰ প্ৰয়োগৰ পিছতো প্ৰাণী বা পৰিবেশত অৱশিষ্ট হিচাপে থাকি বহু বছৰলৈকে অসুবিধাৰ সৃষ্টি কৰিব পাৰে।
- ৰাসায়নিক পদ্ধতিৰে বহু সময় ধৰি নিয়ন্ত্রণ কৰি আহিলে কীট সমূহে এক বিশেষ প্ৰতিৰোধ গঢ়ি তোলে ফলত বেছি শক্তিশালী কীটনাশকৰ প্ৰয়োজন হৈ পৰে।

### খৰচ

পাকৃতিক ভাৱে কীট আৰু ৰোগৰ নিয়ন্ত্রণ কৰিলে ৰাসায়নিক পদ্ধতিতকৈ বহু কম খৰচ হয়। কাৰণ, প্ৰাকৃতিক পদ্ধতিত সাধাৰণতে ঘৰ বাৰীৰ আশে পাশে থকা অঞ্চল সমূহৰ পৰাই এই বোৰ সংগ্ৰহ কৰা হয়।

## জৈৱিক নিয়ন্ত্রণ পদ্ধতি

উঁই নিয়ন্ত্রণ কৰাৰ বাবে ৰাসায়নিক পদাৰ্থ ব্যৱহাৰ কৰাৰ পৰিৱৰ্তে আন কিছুমান বিকল্প ব্যৱস্থা আছে। প্ৰাকৃতিক পৰিবেশৰ লগত ৰজিতা খাই থকা এই পদ্ধতিবোৰে প্ৰাকৃতিক ভাৱে উঁই নিয়ন্ত্রণ কৰাত সহায় কৰে।

- জৈৱিক নিয়ন্ত্রণ পদ্ধতিয়ে পৰিবেশ প্ৰদূষণৰ সৃষ্টি নকৰে। ইয়াৰ উপৰিও এই পদ্ধতিবোৰে উপকাৰী পোক, জীৱ-জন্তু বা ব্যৱহাৰ কৰা মানুহৰো অনিষ্ট সাধন নকৰে।
- জৈৱিক পদ্ধতিত কেৱল স্থানীয় ভাৱে সুলভ বস্তুবোৰহে ব্যৱহাৰ কৰাৰ ওপৰত জোৰ দিয়া হয়। কোনো ধৰণৰ বহিৰাগত খৰচী পদাৰ্থ ব্যৱহাৰৰ ওপৰত এই পদ্ধতিত নিৰ্ভৰ কৰা প্ৰয়োজন নহয়।
- জৈৱিক পদ্ধতিবোৰ কম খৰচী আৰু ব্যৱহাৰ কৰিবলৈ সহজ।
- জৈৱিক পদ্ধতিবোৰত কৃষি পদ্ধতিত জেনেটিক বৈশিষ্ট্য বোৰ সংৰক্ষণ কৰাত গুৰুত্ব আৰোপ কৰা হয় আৰু এইবোৰে শস্যাক উঁইৰ প্ৰতি প্ৰতিৰোধ গঢি তোলাত সহায় কৰে।
- জৈৱিক পদ্ধতিত উঁই সম্পূৰ্ণ ভাৱে নিৰ্মূল কৰাতকৈ ইয়াৰ সংখ্যা নিয়মীয়া কৰি ৰখাতহে গুৰুত্ব দিয়া হয় যাতে উঁইৰ পৰা হোৱা উপকাৰৰ পৰা বঞ্চিত হ'ব লগা নহয়।

পোকৰ প্ৰজাতি, শস্য বা গছৰ প্ৰজাতি, জলবায়ু বা পৰিবেশৰ আন কিছুমান কাৰক যেনে, মাটিৰ প্ৰকাৰ গজি থকা ঘাঁহ, বন-বাত ইত্যাদিৰ ওপৰত থকা জ্ঞানৰ ওপৰত নিয়ন্ত্ৰণৰ মাত্ৰা নিৰ্ভৰ কৰে। থলুৱা জ্ঞান আৰু কৌশলেৰে স্থানীয় ভাৱে সুলভ বস্তুবোৰ ব্যৱহাৰ কৰা বিভিন্ন পদ্ধতিৰে কৰা নিয়ন্ত্ৰণ সকলোতকৈ ফলদায়ক।

এই পুস্তিকাত উঁই নিয়ন্ত্ৰণ কৰা পদ্ধতিৰ বিষয়ে বৰ্ণনা কৰা হৈছে। কিছুমান কথা ব্যক্তিগত ভাৱে কৰা অধ্যয়নৰ পৰা উদ্ধৃত হৈছে আৰু বিস্তাৰ ভাৱে ব্যৱহাৰ কৰা হোৱা নাই।

## মাটিত জৈৱিক পদ্ধতি যোগান ধৰা

ভেঁকুৰ সৃষ্টি কাৰী কিছুমান উঁইয়ে মৃত গছ-গছনিৰ অংশ খাবলৈ ভাল পায়। ইহঁতৰ আক্ৰমণ কম মাটিত জৈৱ পদাৰ্থৰ থকা নথকাৰ ওপৰতো নিৰ্ভৰ কৰে। ইয়াৰ কাৰণ এনে মাটিত উঁই জীয়াই থাকিবৰ বাবে প্ৰয়োজন হোৱা খাদ্যৰ অভাৱ হোৱাৰ বাবে এইবিলাক উঁইয়ে জীৱিত গছ-গছনিক আক্ৰমণ কৰে। মাটিত জৈৱিক পদাৰ্থ বা জীৱ-জন্তুৰ গোবৰ ইত্যাদি প্ৰয়োগ কৰিলে আৰু সেউজীয়া সাৰৰ গছ লগাইও জৈৱিক পদাৰ্থৰ পৰিমাণ বৃদ্ধি কৰিব পাৰি।

# মাটিত জৈৱিক পদ্ধতি যোগান ধৰা

ভেঁকুৰ সৃষ্টি কাৰী কিছুমান উঁইয়ে মৃত গছ-গছনিৰ অংশ খাবলৈ ভাল পায়। ইহঁতৰ আক্ৰমণ মাটি থকা কম জৈৱ পদাৰ্থৰ ওপৰত নিৰ্ভৰ কৰে। ইয়াৰ কাৰণ এনে মাটিত উঁই জীয়াই থাকিবৰ বাবে প্ৰয়োজন হোৱা খাদ্যৰ অভাৱ হোৱাৰ বাবে এইবিলাক উঁইয়ে জীৱিত গছ গছনিক আক্ৰমণ কৰে।

মাটিত জৈৱিক পদাৰ্থ বা জীৱ-জন্তুৰ গোবৰ ইত্যাদি প্ৰয়োগ কৰিলে আৰু সেউজীয়া সাৰৰ গছ লগাইও জৈৱিক পদাৰ্থৰ পৰিমাণ বৃদ্ধি কৰিব পাৰি।



## পৰভোজী জীৱৰ বাবে সুচল পৰিবেশ গঢ়ি তোলা

উঁই পোকৰ বহুত পৰভোজী শত্ৰু আছে কাৰণ এই পোকৰ শৰীৰত বহুত প্ৰ'টিন থাকে। যি বিলাক পৰভোজী পোকে উঁই পোকক খায়, সেই বিলাকৰ ভিতৰত হৈছে মকৰা, মাখি, বৰল আৰু বিশেষকৈ পৰুৱা। আন পৰভোজী বোৰ হৈছে ভেকুলী, সৰীসৃপ, বান্দৰ, চৰাই, মানুহ ইত্যাদি। এনে ধৰণৰ বন্য জীৱ বোৰৰ সংখ্যা বৃদ্ধি পাবলৈ সুচল পৰিবেশৰ সৃষ্টি কৰিলে উঁই পোকৰ সংখ্যা হ্ৰাস পাব। সৰু সৰু জোপোহা আৰু গছ বোৰে বিভিন্ন উপকাৰী প্ৰাণীৰ বাবে বাসস্থানৰ যোগান ধৰে। গতিকে, শস্য ক্ষেত্ৰৰ ওচৰে পাজৰে এনে গছ-গছনি ৰুই দিলেও বহু কামত আহে। যদি এই সমূহ ধ্বংস কৰি দিয়া হয় তেনেহ'লে অনিষ্ট কাৰী পোক আৰু পৰভোজী পোকৰ মাজৰ সাম্যতা নোহোৱা হয়।

**খাদ্যৰ বিকল্প ব্যৱস্থা**

যি বিলাক উঁই পোকে মৃত গছ-গছিনৰ অংশ খায় তেনে উঁই পোকৰ আক্ৰমণ হ্ৰাস কৰিবলৈ মাটিত প্ৰচুৰ পৰিমাণে জৈৱিক পদাৰ্থ যোগ কৰিব লাগে। শস্যৰ ওচৰ পাজৰ ঠাই খিনি কৃষকে কেতিয়াও উদংকৈ ৰাখিব নালাগে।

অলপ সময়ৰ সমিধান হিচাপে উঁইপোকক বিকল্প খাদ্যৰ যোগান ধৰিব লাগে। গছৰ গুৰিত খেৰ, পথৰুৱা সাৰ, কাঠৰ চুঁচলি, কাঠ খৰিৰ ছাই, ইত্যাদিৰে মালচিং কৰি ৰাখিলে উঁইৰ সংখ্যা উল্লেখনীয় ভাৱে হ্ৰাস পায়। কাৰণ উঁই বোৰ মূল শস্যতকৈ মালচিং কৰা বস্তুৰ প্ৰতিহে আকৰ্ষিত হয়। কেতিয়াবা বিকল্প খাদ্য যোগান ধৰিলে গছ-গছনিৰ প্ৰতি আকৰ্ষিত হোৱাৰো ভয় থাকে। গতিকে, উঁইৰ প্ৰজাতি আৰু গছ বা শস্যৰ প্ৰজাতিৰ ওপৰতো নিৰ্ভৰ কৰে।

**শস্য ক্ৰম**

একে গছকে বছৰৰ পিছত বছৰ ধৰি খেতি কৰি থাকিলে মাটিৰ সাৰুৱা গুণ হ্ৰাস কৰাৰ ওপৰিও মাটিৰ গঠনৰ ওপৰতো আঘাত হানে। এনে ঠাইত হোৱা শস্য দূৰ্বল হয় আৰু সহজে উঁই পোকৰ আক্ৰমণৰ বলি হয়। শস্য ক্ৰম মানি চলিলে এই সমস্যা কিছু খিনি কমাব পাৰি।

শস্য ক্ৰম হ'ল প্ৰতি বছৰে মাটি টুকুৰাত বেলেগ বেলেগ শস্যৰ খেতি কৰা পদ্ধতি। ইয়াৰ ফল স্বৰূপে মাটিৰ গুণা গুণ উন্নত হোৱাৰ ওপৰিও বেমাৰ-আজাৰ, কীট পতংগৰ আক্ৰমণ বহুত হ্ৰাস পায়।

**স্বাস্থ্যৱান আৰু নিৰোগী পুলি ৰোপন**

- যি বিলাক গছ বেমাৰত আক্ৰান্ত নাইবা পানীৰ অভাৱত ভোগে তেনে গছ বোৰত উঁইৰ আক্ৰমণ বেছি। গতিকে সঠিক পানীৰ যোগান আৰু নিৰোগী গছ লগোৱাতো গুৰুত্ব পূৰ্ণ।
- শুকান ঠাইৰ ক্ষেত্ৰত গুটি সিঁচাৰ সময় হ'ল বৰষুণৰ দিন আৰম্ভ হোৱাৰ লগে লগে যাতে গছ বোৰ ভালদৰে ঠন ধৰি উঠিব পাৰে আৰু শস্যক্ষেত্ৰত নিৰোগী গছ হিচাপে থাকিব পাৰে।
- কেৱল মাত্ৰ নিৰোগী গছ লগাব লাগে। ডাল পাত ডলিবৰ সময়ত যথেষ্ঠ যত্ন লাগে যাতে কটা অংশইদি উঁই আদি গছৰ ভিতৰত সোমাই যাব নোৱাৰে।
- যদি গছৰ পুলি ঠোঙাৰ ভিতৰত সোমাই থাকে তেনেহ'লে ৰোৱাৰ সময়ত সম্পূৰ্ণ আঁতৰাই নিদি অলপ মান আঁতৰাই ৰাখি লগালে উঁইৰ আক্ৰমণ কিছু কমাব পাৰি। কিন্তু মন কৰিব লাগে যাতে বেগৰ বাবে পুলিটো বা শিপা আদি নবঢ়াকৈ নাথাকে। কল গছৰ আঁহৰ পৰা তৈয়াৰী কৰা বেগ সম্পূৰ্ণ ভাৱে ব্যৱহাৰ কৰিব নালাগে কাৰণ এইবোৰ উঁই পোকক সহজে আক্ৰমণ কৰে।
- ৰোৱাৰ থলীত জৈৱিক সাৰ আৰু পথৰুৱা সাৰ ইত্যাদি দিব লাগে যাতে নিৰোগী গছ আৰু শস্য পোৱা যায়। ৰাসায়নিক সাৰবোৰে শস্যক সোনকালে বঢ়াত সহায় কৰে ফলত কোমল কলা বোৰ সহজে উঁইৰ দ্বাৰা আক্ৰান্ত হয়।

**চুম্বক** (Magnets)

উচ্চ শক্তি যুক্ত চুম্বক নতুনকৈ বান্ধিবলৈ লোৱা উঁই হাঁফলু ৰ ওচৰত ৰাখি থ'লে হাঁফলু হোৱাত বাধা দিয়ে। এনে চুম্বকে বিশেষকৈ যি বিলাক উঁইয়ে উত্তৰ-দক্ষিণাকৈ হাঁফলু বান্ধে তেনে উঁইবোৰে হাঁফলু বন্ধাত বাধা প্ৰাপ্ত হয়।

**হাঁফলু ভাঙি পোলোৱা আৰু ৰাণী উঁই আঁতৰাই পেলোৱা**

দকৈ ফাঁট মেলি থকা মাটিত উঁইয়ে হাঁফলু বান্ধিব নোৱাৰে। ঠিক সেই ধৰণেৰে কৃটিম ভাৱে হাঁফলু বোৰ ভাঙি দিলেও কামত দিয়ে। বাৰে বাৰে মাটি খান্দি থাকিলে বা হাল বাই দিলেও উঁইৰ আক্ৰমণৰ পৰা ৰক্ষা পোৱা যায়।

**ভৌতিক বাধা**

ঘৰৰ চাৰিওফালে বা পুলি বাৰীৰ চাৰিওকাষে বাধা দিলেও কেতিয়াবা কিছুমান উঁহঁৰ পৰা ৰক্ষা পোৱা যায়। সাধাৰণতে বাধা বোৰ মাটিৰ তলত আৰু ওপৰত আংশিক ভাৱে থাকিব লাগে আৰু উঁই ইত্যাদিয়ে আক্ৰমণ কৰিব নোৱাৰা পদাৰ্থ যেনে, ইটা,বালি চিমেন্ট আদিৰ পৰা বনোৱা হ'ব লাগে। এই বোৰত ব্যৱহাৰ কৰা বস্তুবোৰৰ আকাৰৰ কথাটোও গুৰুত্বপূৰ্ণ। এইবিলাক উঁইয়ে কঢ়িয়াই নিব পৰাকৈ বৰ ডাঙৰো হ'ব নালাগে আৰু বৰ সৰুও হ'ব নালাগে যাতে উঁহঁয়ে এইবোৰৰ মাজেদি সুৰুঙা কৰি বাট উলিয়াই ল'ব নোৱাৰে।

# উঁইৰ প্ৰতি প্ৰতিৰোধ থকা গছ

## শস্য

উঁইৰ প্ৰতি প্ৰতিৰোধ থকা শস্যৰ কথা খুউব কম জনা যায়। কিন্তু, সাধাৰণতে, থলুৱা গছ-গছনি বোৰৰ প্ৰতিৰোধ বাহিৰা অঞ্চলৰ পৰা আনি খেতি কৰা শস্যতকৈ বেছি। উদাহৰণ স্বৰূপে, আফ্ৰিকাত বজ্ৰা, বাৰ্লি আদিৰ গছবোৰৰ মাকৈ, কাউপি (ডাংবডী জাতীয় এবিধ শস্য) আদি গছ বোৰতকৈ প্ৰতিৰোধ ক্ষমতা বেছি।

বাম্বাৰা নামৰ থলুৱা শস্যবিধ উঁইয়ে আক্ৰমণ নকৰে কিন্তু বাদামৰ গছ বোৰ আক্ৰমণ কৰে। একবৰ্ষীয় গছ বোৰ সাধাৰণতে চপাবৰ সময়ত আক্ৰান্ত হয় আৰু বহু বৰ্ষীয় গছ বোৰ শুকান দিন বোৰত বা শস্যকালৰ প্ৰথম সময়ছোৱাত আক্ৰান্ত হয়।

গতিকে বিস্তাৰিত ভাৱে কোনো এটা নতুন শস্য লগোৱাৰ আগতে পৰীক্ষামূলক ভাৱে অলপ মাটিত ৰুই চাব লাগে যাতে মাটিত থকা উঁইৰ প্ৰতি সেই শস্যৰ প্ৰতিৰোধ ক্ষমতা জানিব পাৰি।

## গছ

গছৰ প্ৰতিৰোধ নিৰ্ভৰ কৰে, সেই গছৰ গুটিৰ উৎপত্তি, বয়স বা গছৰ অৱস্থা, উঁইৰ প্ৰজাতি, গছ হোৱা অঞ্চল, দেশ ইত্যাদি আদিকে ধৰি বিভিন্ন কাৰকৰ ওপৰত।

গছৰ ক্ষেত্ৰত বিদেশী গছবোৰতকৈ থলুৱা গছবোৰৰ প্ৰতিৰোধ ক্ষমতা বেছি।

| প্ৰজাতি | সাধাৰণ নাম | উঁইৰ প্ৰতিৰোধ থকা অংশ | মন্তব্য |
|---|---|---|---|
| *একেছিয়া পলিকেন্থা* | একেছিয়া | | আন একেছিয়াৰ প্ৰজাতি বোৰতকৈ বেছি প্ৰতিৰোধ থকা |
| এজডিৰেক্টা | নিম | | |
| *ইউকেলিপ্টাচ মাইক্ৰকৰিচ* | | | আন ইউকেলিপ্টাচ প্ৰজাতিতকৈ বেছি প্ৰতিৰোধ ক্ষমতা থকা |
| *মেলিয়া এজেডিৰেক* | ঘোঁৰা নিম | কাঠ /মগু,পাত, গুটি, তেল | খোৱাৰ পিচত বিষক্ৰিয়া হয |
| *গ্ৰেভিলিয়া ৰবাষ্টা* | চিলভাৰ ওক | | তাঞ্জানিয়াত উঁইৰ প্ৰতি সহনশীলতা আছে |



উঁই পোকৰ প্ৰাকৃতিক নিয়ন্ত্ৰণৰ বাবে গছৰ বিভিন্ন অংশ খুন্দি মিশ্ৰণ প্ৰস্তুত কৰা হয়।

## গছৰ আৰক

গছৰ অংশ বা গছৰ আৰক ফলপ্ৰসূ ভাৱে ব্যৱহাৰ কৰিব পাৰি। গছৰ এনে অংশ এৰুৱাই আন প্ৰাকৃতিক নিয়ন্ত্ৰণৰ বাবে ব্যৱহাৰ কৰিব পাৰি।এই বোৰ উতলা পানীত দি, খুন্দি বা লৰাই দি আৰক প্ৰস্তুত কৰিব পাৰি। এই আৰক বোৰ আক্ৰান্ত গছৰ ওপৰত প্ৰয়োগ কৰিব পাৰি। বিকল্প ভাৱে গছৰ অংশ যেনে, বিষাক্ত ৰস, মগু বা চুচি লোৱা অংশ পোন-পতীয়াকৈ প্ৰয়োগ কৰিব পাৰি।

উঁইৰ নিয়ন্ত্ৰণৰ বাবে বিভিন্ন গুণ থকা কিছুমান গছৰ তালিকা

| প্ৰজাতি | সাধাৰণ নাম | উঁই নিয়ন্ত্ৰণ কৰিব পৰা গুণ | ব্যৱহাৰ কৰিব পৰা অংশ |
|---|---|---|---|
| *এলিয়াম চেটোইভাম* | নহৰু | বেক্টেৰীয়া নাশক গুণ ভেঁকুৰ নাশক,বিকৰ্ষক, খোৱাৰ প্ৰতি অনিহা কৰা | নহৰুৰ ঘেঁটা |
| *এনাকাৰডিয়াম অক্সিডেণ্টেলি* | কাজু বাদাম | বিকৰ্ষক, পোক পৰুৱা বিৰোধী, | গুটি, তেল |
| *আৰ্জিমণ মেক্সিকানা* | মেক্সিকান পপী | কীটনাশক, বিকৰ্ষক | গোটেই গছ জোপা |
| *এজাডিৰেক্টা ইণ্ডিকা* | নিম | উঁই নিয়ন্ত্ৰণ কৰিব পৰা গুণ | পাত, গুটি |
| *কেল্‌ট্ৰপিছ জাইগেনটিয়া* | আকন | পোক পৰুৱা বিৰোধী | পাত,ৰস/আঠা/গছৰ কাণ্ডৰ ৰসাল পানী অংশ |
| *কেমেলিয়া চাইনেনচিছ* | চাহ গছ | খোৱাৰ অনিহা সৃষ্টি কৰা, কীটনাশক গুণ | ফুল আৰু ফল |
| *কেৰিকা পাপায়া* | অমিতা | কীটনাশক গুণ | ফল, সতেজ পাত আৰু শিপা |
| *মেলিয়া এজেডাৰেক* | ঘোঁৰা নিম | খোৱাৰ অনিহা কৰা, সংস্পৰ্শলৈ আহিলে বিষ ক্ৰিয়া কৰিব পৰা গুণ, বিকৰ্ষক | ছাল, ডাল পাত, ফল, তেল |
| *অচিমাম বেচিলাম* | তুলসী | কীটনাশক গুণ, বিকৰ্ষক | গোটেই গছ জোপা ব্যৱহাৰ কৰিব পাৰি |
| *টেজেটেচ মাইনুটা* | মেক্সিকান নাৰ্জীফুল | | পানী ব্যৱহাৰ কৰি প্ৰস্তুত কৰা আৰক |
| *টেকুনা গ্ৰেন্দিছ* | চেগুণ | বিকৰ্ষক | কাঠ /মণ্ড |


এই পুস্তিকা খনৰ অনুবাদ, সম্পাদনা আৰু প্ৰকাশন

ফাৰটাইল গ্ৰাউণ্ড: আৰু হৃদয়ংগম,

ইষ্ট/উৱেষ্ট চাচটেইনেবিলিটি নেটওৱৰ্ক, ভেনকভাৰ আইলেণ্ড, বিট্ৰিচ কলম্বিয়া, কানাডা
fertile_ground2003@yahoo.com

মাৰ্ঘেৰিটা চাচটেইনেবল এগ্ৰিকালচাৰেল ফৰাম, মাৰ্ঘেৰিটা, অসম, ভাৰত
hridayangam@yahoo.com

ৰ এক যুটীয়া প্ৰকল্পৰ অধীনত সম্পন্ন হৈছে

তলত উল্লেখিত অনুষ্ঠান সমূহৰ সহায়ৰ বাবে ফাৰটাইল গ্ৰাউণ্ড আৰু হৃদয়ংগমৰ তৰফৰ পৰা ধন্যবাদ জনোৱা হ'ল

কানাডা ইণ্ডিয়া ভিলেজ এইড, ভেনকভাৰ, বি.চি. কানাডা

ওৰ্ল্ড কমিউনিটি ডেভেলপমেণ্ট এডুকেশ্যন চচাইটি, কৰ্টনি, বি.চি. কানাডা

বি.চি. এছছিয়েছন অব প্ৰফেছনেল এগ্ৰ'লজিষ্ট, কানাডা

"শব্দলিপি" চফ্‌টৱেৰৰ বাবে টি. আই. ট্ৰেড, গোপীনাথ বৰদলৈ পথ, গুৱাহাটী, অসম

The original English version of this material was published by International Programme, HDRA, the organic organisation.
We are grateful for their permission to translate this material into Assamese.
Many more useful resource materials are available on their website: **www.hdra.org.uk**
Mailing address: HDRA, the organic organisation, Ryton Organic Gardens Coventry, CV8 3LG, U.K.

প্ৰথম সম্পাদনা - এপ্ৰিল, ২০০৪